# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-APR-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

১।	উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আজি ঘোষিত ফলাফলত ৮১ দশমিক ৫-৪ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ। কলা শাখাত বাক্সা, বিজ্ঞান শাখাত তামুলপুৰ আৰু বাণিজ্য শাখাত মাজুলী-দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ প্ৰথম স্থান লাভ।

২।	অহা বছৰৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা, তিনিটা শাখাত অনুষ্ঠিত হ'ব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ প্ৰকাশ।

৩।	জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ অন্যতম অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ ৰায় সংৰক্ষিত। ২ মে'ত পৰৱৰ্তী শুনানি।

৪।	পশ্চিমবংগৰ ১৪২টা সমষ্টিত কাইলৈ বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰিছে। সামগ্ৰিকভাৱে এই পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৫-৪ শতাংশ।

এইবাৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বাবে মুঠ ৩ লাখ ৩০ হাজাৰ ৭৯৮ গৰাকী পৰীক্ষাৰ্থীয়ে প্ৰ-পত্ৰ পূৰণ কৰিছিল যদিও ইয়াৰে ৩ লাখ ২২ হাজাৰ ৭২৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। পৰীক্ষাত অৱতীৰ্ণ হোৱাসকলৰ দুই লাখ ৬৩ হাজাৰ ১৫৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। এই পৰীক্ষাত মুঠ এক লাখ ৪৫ হাজাৰ ৪২৪ গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। সেই অনুসৰি ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হ'ল ৮৩ দশমিক ৩-১ শতাংশ। আনহাতে ৭৯ দশমিক ৫-৪ শতাংশ উত্তীৰ্ণৰ হাৰেৰে মুঠ এক লাখ ৯১ হাজাৰ ৭৯৮ জন ছাত্ৰ পৰীক্ষাত উত্তীৰ্ণ হয়।

কলা শাখাত মুঠ ২ লাখ ৪১ হাজাৰ ১২৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে এক লাখ ৯১ হাজাৰ ৭৯৮ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ৫৪ হাজাৰ ৭৫৫ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এইবাৰ কলা শাখাত উত্তীৰ্ণৰ হাৰ ৭৯ দশমিক ৫-৪ শতাংশ।

বিজ্ঞান শাখাত মুঠ ৬০ হাজাৰ ৬৭৭ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ৫৪ হাজাৰ ৪৭৪ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ৩৪ হাজাৰ ৭৯ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এইবাৰ বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৮৯ দশমিক ৭-৯ শতাংশ।

বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৪৬৯ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১৫ হাজাৰ ৭৯৬ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ৭ হাজাৰ ৭৮৭ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এইবাৰ বাণিজ্য শাখাত ৮১ দশমিক ১-৩ শতাংশ।

একেদৰে বৃত্তিমূলক পাঠ্যক্ৰম শাখাত মুঠ ১ হাজাৰ ৪৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১ হাজাৰ ৮৭ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ৯২ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এইবাৰ বৃত্তিমূলক পাঠ্যক্ৰম শাখাত ৭৪ দশমিক ১-৯ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

উল্লেখযোগ্য যে কলা শাখাত বাক্সা জিলাই প্ৰথম স্থান, দৰং জিলাই দ্বিতীয় স্থান আৰু লখিমপুৰ জিলাই তৃতীয় স্থান লাভ কৰিছে। বাণিজ্য শাখাত মাজুলী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাই প্ৰথম স্থান লাভ কৰিছে। তামুলপুৰ জিলা দ্বিতীয় স্থানত আৰু বজালী জিলা তৃতীয় স্থানত আছে। বিজ্ঞান শাখাত তামুলপুৰ জিলা প্ৰথম, পশ্চিম কাৰ্বি আংলং দ্বিতীয় আৰু বাক্সা জিলা

তৃতীয় স্থানত আছে। বৃত্তিমুখী শাখাত বিশ্বনাথ, মাজুলী আৰু শিৱসাগৰ জিলা প্ৰথম স্থান, দৰং দ্বিতীয় আৰু বৰপেটা জিলা তৃতীয় স্থানত আছে।

যিসকল শিক্ষাৰ্থীয়ে বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰে তেওঁলোকে ফলাফল ঘোষণাৰ দুদিন পাছত মুকলি হ'বলগীয়া প'ৰ্টেলৰ জৰিয়তে ইয়াৰ বাবে আবেদন কৰিব পাৰিব।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত এইদৰে কয়—

**বাইট (ৰণোজ পেগু)**

০০০০০

উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ঘোষণা হোৱাৰ লগে লগে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষগৰাকীয়ে সংবাদ মেলত আগন্তুক শিক্ষা বৰ্ষ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ সদৰি কৰে। তেওঁ কয় যে ২০২৭ বৰ্ষৰ পৰীক্ষা বিশেষভাৱে অনুষ্ঠিত কৰা হ'ব।  অহা শিক্ষা বৰ্ষৰ পৰা বৃত্তিগত শাখা বিলুপ্ত কৰা হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয় যে এতিয়াৰে পৰা উচ্চতৰ মাধ্যমিকত কেৱল কলা, বিজ্ঞান আৰু বাণিজ্য শাখা থাকিব। শিক্ষাৰ্থীসকলে প্ৰতিটো বিষয়ত উত্তীৰ্ণ হ'বলৈ ন্যূনতম ৩৩ শতাংশ নম্বৰ লাভ কৰিব লাগিব। তেওঁ কয় যে অহা বৰ্ষৰ পৰা তিনিটা গ্ৰুপত বিষয়বোৰ বিভক্ত হ'ব। কলা শাখাৰ শিক্ষাৰ্থীয়ে চি গ্ৰুপৰ পৰা এটা দক্ষতাৰ বিষয় বাধ্যতামূলকভাৱে ল'ব লাগিব। সাধাৰণ অধ্যয়ন বিষয়টো সকলোৰে বাবে সপ্তম বিষয় হিচাপে বাধ্যতামূলক হ'ব বুলি তেওঁ প্ৰকাশ কৰে। একাডেমিক কেলেণ্ডাৰত জুবিন গাৰ্গৰ বাণী সন্নিৱিষ্ট কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে লগতে কয় যে অহা শিক্ষাবৰ্ষৰ পৰা শিক্ষাৰ্থীসকলে অধিক উন্নত ফলাফল লাভৰ আশাৰে নিজৰ ইচ্ছা অনুযায়ী এটা বা ততোধিক অথবা সম্পূৰ্ণ বিষয়কেইটাৰ পৰীক্ষাত পুনৰ অৱতীৰ্ণ হ'ব পাৰিব। কম্পাৰ্টমেণ্টেল বুলি কোনো পৰীক্ষাৰ ব্যৱস্থা নাথাকিব বুলিও তেওঁ প্ৰকাশ কৰে। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ দুমাহৰ পাছত বিশেষ পৰীক্ষা অনুষ্ঠিত হ'ব। দুটাতকৈ অধিক বিষয়ত কোনো শিক্ষাৰ্থী অনুত্তীৰ্ণ হ'লে তেওঁ নতুনকৈ নামভৰ্তি কৰিব লাগিব। অহা দুসপ্তাহৰ ভিতৰত নতুন নামভৰ্তিৰ বাবে এটা পোৰ্টেল খোলা হ'ব। উল্লেখযোগ্য যে এইবেলি উচ্চতৰ মাধ্যমিকত শীৰ্ষস্থান হিচাপে কোনো শিক্ষাৰ্থীৰ নাম ঘোষণা কৰা হোৱা নাই।  চলিত বৰ্ষত ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ অপাৰগ হোৱা ৪৯খন বিদ্যালয়ৰ স্বীকৃতি বাতিলৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। অহা শিক্ষাবৰ্ষ সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষগৰাকীয়ে এইদৰে কয়-

বাইট

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ফাষ্ট ট্ৰেক আদালতত ধাৰাবাহিক শুনানি অব্যাহত থকাৰ মাজতে আজি আদালতত অন্যতম প্ৰধান অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত বিবেচনা কৰা হয়। আদালতে সিদ্ধাৰ্থ শৰ্মাৰ ৰায় সংৰক্ষিত ৰাখে। অহা ২ মে'ত জামিন আবেদনৰ ৰায়দান কৰা হ'ব। আজিৰ শুনানিত জুবিন গাৰ্গৰ সকলো সম্পত্তি গৰিমা গাৰ্গৰ নামলৈ হস্তান্তৰৰ বাবে আবেদন জনোৱা হয়।

০০০০০

অহা ৪ মে'ত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল নগাঁৱত উপস্থিত হয়। তেওঁ প্ৰথমে চহৰখনৰ মাজমজিয়াত অৱস্থিত চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয় আৰু দচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত উপস্থিত হৈ তাত স্থাপন কৰা ষ্ট্ৰং ৰূম আৰু ভোটগণনা কক্ষসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত বিষয়াগৰাকীয়ে ভোটগণনা কেন্দ্ৰসমূহৰ সামগ্ৰিক আন্তঃগাঁথনিৰ পৰা আৰম্ভ কৰি গণনাৰ দিনা নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীসকলৰ সুবিধা তথা জৰুৰীকালীন ব্যৱস্থাৱলীসমূহ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰতিটো কক্ষতে যাতে কোনো

ধৰণৰ বিসংগতিয়ে দেখা নিদিয়ে সেই সন্দৰ্ভত তেওঁ জিলা প্ৰশাসন আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰে। পৰিদৰ্শন কালত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত আয়ুক্ত, নিৰ্বাচন বিষয়াৰ উপৰি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

ইফালে, মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে মৰিগাঁও জিলা ভ্ৰমণ কৰি জিলাখনত ভোটগণনা প্ৰস্তুতিৰ বুজ লয়। পৰিদৰ্শন কালত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে ষ্ট্ৰং ৰূম আৰু গণনা কক্ষসমূহৰ সুৰক্ষা ব্যৱস্থাৰ বুজ লোৱাৰ লগতে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ভোটগণনা কক্ষৰ সকলো যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিয়ে। পৰিদৰ্শন কালত তেওঁৰ সৈতে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া অনামিকা তিৱাৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰিটাৰ্ণিং বিষয়াসকল উপস্থিত থাকে।

আনহাতে, ভোটগণনা প্ৰস্তুতিৰ অংশ হিচাপে আজি কোকৰাঝাৰ জিলাত কাউণ্টিং চুপাৰভাইজাৰ, গণনা সহায়ক আৰু মাইক্ৰ' অবজাৰভাৰসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। কোকৰাঝাৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্যৰ লগতে গণনা প্ৰক্ৰিয়াৰ সকলো গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে বিতংভাৱে অৱগত কৰা হয়।

ooooo

গুৱাহাটীৰ মঠঘৰীয়াত ২৫ এপ্ৰিলৰ নিশা সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাৰ পাছত পলাতক অৱস্থাত থকা গাড়ীখনৰ চালক ছামিম আহমেদক কালি নিশা ডিব্ৰুগড়ত গ্ৰেপ্তাৰ কৰাৰ পাছত আজি গুৱাহাটীলৈ অনা হয়। ঘটনাটো সংঘটিত কৰাৰ পাছতে চালক ছামিম আহমেদে আত্মগোপন কৰি আছিল। পলাতক চালকজনক গ্ৰেপ্তাৰ কৰাৰ পাছত আৰক্ষীয়ে আজি তিনিগৰাকীকৈ যুৱতী নিহত হোৱা দুৰ্ঘটনাটো সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত বহু নতুন নতুন তথ্য দাঙি ধৰে। যানবাহন শাখাৰ উপ-আৰক্ষী আয়ুক্ত জয়ন্ত সাৰথী বৰাই এখন সংবাদমেল সম্বোধন কৰি দুৰ্ঘটনাত নিহত যুৱতীকেইগৰাকীৰ সৈতে চালক ছামিম আহমেদে সেইদিনা নিশা দুৰ্ঘটনাত পতিত হোৱা গাড়ীখন লৈ গুৱাহাটীৰ বিভিন্ন স্থান ভ্ৰমণ কৰাৰ তথ্য দাঙি ধৰে। দুৰ্ঘটনাটো সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্তগৰাকী এইদৰে কয়—

**(বাইট)**

উল্লেখযোগ্য যে মঠঘৰীয়াত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাটোত চৰাইদেউ সাপেখাতিৰ আকাংশা শইকীয়া, গোৱালপাৰাৰ কৃষ্ণাইৰ পূজা সাহা আৰু বঙাইগাঁৱৰ নোৱাপাৰাৰ আৰ্মিনা আহমেদ নামৰ যুৱতী তিনিগৰাকীৰ মৃত্যু হৈছিল। পথ দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে ৰখাই থোৱা ট্ৰাকখনৰ চালক সুভাষ পাটৰক ইতিমধ্যে আটক কৰিছে।

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৰাজ্যখনত ৭ খন জিলাৰ ১৪২ টা সমষ্টি সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত ৩ কোটি ২০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কেন্দ্ৰীয় বাহিনীৰ দুহেজাৰ ৩২১ টা কোম্পানী নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ১৪২ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৯৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ১০০ গৰাকী ব্যয় পৰ্যবেক্ষকক নিৰ্বাচনী দায়িত্বত নিয়োজিত কৰা হৈছে। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে দ্বিতীয় পৰ্যায়ত ৪১ হাজাৰ এটা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

ooooo

বাক্সা জিলাৰ সদৰ মুছলপুৰ মহাবিদ্যালয়ত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ৩৩ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ তথা দ্বিতীয় পৰ্যায়ৰ জাইখ্লুং উৎসৱ আৰম্ভ হৈছে। অহা ১ মে'ত সামৰণি পৰিবলগীয়া এই উৎসৱত বিভিন্ন খেল প্ৰতিযোগিতা, সাংস্কৃতিক আৰু সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ উপৰি অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ আৰু বৌদ্ধিক সমাৰোহৰ আয়োজন কৰা হৈছে।

০০০০০

কামৰূপ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত উন্নয়ন সমিতিৰ বৈঠকত আজি জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। আজিৰ বৈঠকত পঞ্চায়ত আৰু উন্নয়ন, কৃষি, লোকনিৰ্মাণ, পথ আৰু গৃহ, শিক্ষা জলসিঞ্চন, বন বিভাগকে ধৰি বিভিন্ন বিভাগৰ অধীনৰ আঁচনিসমূহ খৰতকীয়াকৈ ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। বাৰিষাৰ বৰষুণকে ধৰি বিভিন্ন প্ৰাকৃতিক কাৰণত উদ্ভৱ হ'ব পৰা সম্ভ্যাব্য প্ৰাকৃতিক দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সহায় তথা এনে পৰিস্থিতিৰ মুখামুখি হোৱাৰ উদ্দেশ্যে সংশ্লিষ্ট বিভাগসমূহক সাজু হৈ থাকিবলৈও আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

০০০০০

শিৱসাগৰ নগৰৰ ধাইআলি অঞ্চলৰ ৰাজ্যিক পৰ্যায়ৰ সুদক্ষ বেডমিণ্টন খেলুৱৈ তথা শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ আলহাজ আবু খায়েৰ ৱালিউল্লাৰ কালি নিশা নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। বিশিষ্ট শিক্ষাবিদ তথা খেলুৱৈগৰাকীৰ মৃত্যু বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত